# 2018

## ASSAMESE

( Major )

Paper : 5.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) অসমীয়া গদ্য-সাহিত্যৰ পথপ্ৰদৰ্শক বুলি কাক কোৱা হয়?

(খ) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ৰ শেষত ভট্টদেৱে অধ্যায়টোৰ নাম কি বুলি উল্লেখ কৰিছে?

(গ) কুণ্ডিলৰ পৰা দ্বাৰকালৈ যোৱা বিপ্ৰগৰাকীৰ নাম কি?

(ঘ) যুদ্ধাদিত্য কোন আছিল?

(ঙ) মদন পূজাৰ বেদীত প্ৰতিষ্ঠা কৰা মূৰ্তিটো কিহেৰে নিৰ্মাণ কৰা হয়?

(চ) জয়সাগৰ পুখুৰী কিমান শকত খান্দিছিল?

(ছ) শিঙৰীঘৰত উঠিয়েই স্বৰ্গদেউ ৰুদ্ৰসিংহই কি নাম লৈছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ত মহাৰথী, ৰথী আৰু অৰ্ধৰথীৰ সংজ্ঞা কোনে, কাৰ আগত ব্যক্ত কৰিছিল ?

(খ) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটিত তিনি গুৰু বুলি কাক কোৱা হৈছে ?

(গ) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ শাসনকালৰ সময়ত জয়ন্তা আৰু কছাৰী ৰাজ্যৰ ৰজা কোন কোন আছিল ?

(ঘ) ব্ৰাউন চাহাবে পত্ৰৰ আৰম্ভতে কোন দুগৰাকী খ্ৰীষ্টিয়ান ভাইৰ কথা উল্লেখ কৰিছে ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ভট্টদেৱৰ গদ্য শক্তিশালী হোৱা সত্ত্বেও জনপ্ৰিয় নোহোৱাৰ কাৰণসমূহ চমুকৈ আলোচনা কৰা।

(খ) তোমাৰ পাঠ্যৰ ভিত্তিত অংকীয়া নাটৰ গদ্যৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) "দশ বিপ্ৰাধিক অধ্যাপক, দশ অধ্যাপকতো অধিক পিতৃ, পিতৃতো দশগুণে মাতৃ। হেন মহাগুৰুৰ বাক্য তোৰ পালিতে উচিত।"

কৌশল্যাই কি প্ৰসঙ্গত উক্ত ধৰণে শ্ৰীৰামৰ আগত যুক্তি দৰ্শাইছিল ? চমুকৈ বুজাই লিখা।

(ঘ) স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ 'গড়গাঁৱত মহাজন সন্মিলন'ৰ কথাখিনি নিজৰ ভাষাত বৰ্ণনা কৰা।

(ঙ) অসমীয়া ভাষা-সাহিত্যলৈ নাথান ব্ৰাউনৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) 'কথাগীতা'ৰ দ্বিতীয় অধ্যায়ৰ আধাৰত আত্মাৰ স্বৰূপ সম্পৰ্কে বিৱৰণ দাঙি ধৰা। ১০

*অথবা*

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটোৰ আলমত ৰুক্মিণী আৰু শ্ৰীকৃষ্ণৰ পূৰ্বৰাগৰ প্ৰকাশ কেনেদৰে হৈছিল, বৰ্ণনা কৰা। ১০

৫। (ক) 'ৰামৰ বনগমন' শীৰ্ষক পাঠটোৰ আধাৰত কৌশল্যা আৰু কৈকেয়ীৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটিত ত্ৰিপুৰাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ছবি কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

৬। (ক) 'স্বৰ্গদেৱ ৰুদ্ৰসিংহ' শীৰ্ষক পাঠটোৰ আধাৰত বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) ব্ৰাউন চাহাবৰ পত্ৰৰ আধাৰত 'অৰুণোদই'ৰ গদ্যৰীতিৰ বিষয়ে আলোচনা কৰা। ১০

★★★